স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-16 □ NO-16 □ FRIDAY 20 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

ক্ষ্য ৰাখি সমজিলা
ৱা বিতৰণ আৰু
ত এই দলসমূহে
ীক্ষণ আৰু সঁহাৰি
পৰিক্ৰমা বিভাগৰ
ৰ বাবে অনিন্দিতা
১০ পৃষ্ঠাত

ৱাল



### ত্ৰিশৰো অধিক গৱেষকে পাঠ কৰিব পত্ৰ

## কানৈ মহাবিদ্যালয়ত ৩১ মাৰ্চত বুৰঞ্জী-দৰ্শন সন্মিলন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ বুৰঞ্জী আৰু দৰ্শন বিভাগৰ উদ্যোগত, অসম মহিলা বিশ্ববিদ্যালয়, যোৰহাট, ভাৰতীয় ইতিহাস সংকলন সমিতি, অসম আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত পোনপ্ৰথমবাৰৰ বাবে ৩১ মাৰ্চত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী আৰু দৰ্শন সন্মিলন। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনখনৰ উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা ৰাজকোঁৱৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই বক্তব্য প্ৰদান কৰিবলগীয়া অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী ১০ পৃষ্ঠাত

নত

লৈ অব্যা

তা
স
ন
চাৰ্য
লীয়া

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে
নিয়মীয়া বাৰ্তা
OL-16 ☐ NO-16 ☐ FRIDAY 20 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR

ত ব্যাপক উৎসাহ
ত্বৰ এক দৃঢ় বিশ্বাস
স্বামীয়েই উপযুক্ত
ন কৰে। যোৰহাটত
ট আৰু গণভিত্তি।
সভা সমষ্টিৰ পৰা
অসম গণ পৰিষদ
দলৰ পৰা যোৰহাট
জপি প্ৰাৰ্থী হিতেন্দ্ৰ
াৰৰ অধিক ভোটত
জন প্ৰতিনিধি অসম
হিচাপে কাৰ্যনিৰ্বাহ
পিছতেই বিজেপি
কৰ্মীৰ অভিনন্দন
এবাৰ যোৰহাটক
ম বিধায়ক হিচাপে
অসমত ৰাইজে ড°

## কানৈ মহাবিদ্যালয়ত ৩১ মাৰ্চত

দেৱী কানৈ ছাত্ৰী নিৱাসৰ বাৰ্ষিক আলোচনী 'প্ৰতীতি' উন্মোচন কৰিব মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্য, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। সন্মিলনখনৰ পূৰ্ণাংগ সত্ৰত অধ্যক্ষ হিচাপে উপস্থিত থাকিব ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাষ্ট্ৰীয় মহা সচিব হেমন্ত ধিং মজুমদাৰ, সহকাৰী অধ্যক্ষ হিচাপে উপস্থিত থাকিব ভাৰতীয় ইতিহাস সংকলন যোজনাৰ ৰাজ্যিক সভাপতি গজেন্দ্ৰ অধিকাৰী, সমল ব্যক্তি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হ'ব ক্ৰমে অসম সাহিত্য সভাৰ গ্ৰেট ব্ৰিটেইন শাখাৰ সভাপতি গীতা বৰুৱা, জাৰ্মানীৰ শ্ৰীমন্ত ভূএগ্ৰা আৰু দক্ষিণ আফ্ৰিকাৰ ড° মুকুট গোহাঁই। সন্মিলনখনৰ লগত সংগতি ৰাখি বুৰঞ্জী বিষয়ৰ 'প্ৰাচীন অসমৰ ইতিহাস চৰ্চা ঃ সফলতা আৰু কৰণীয়' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ত্ৰিদিপ মহন্ত। আনহাতে দৰ্শন বিষয়ৰ 'অসমীয়া সমাজ জীৱনত শংকৰী দৰ্শনৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব মৰিধল মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ভৱানী চলিহা। দুয়োখন আলোচনা-সত্ৰত ত্ৰিশৰো অধিক গৱেষকে বিভিন্ন বিষয়ত গৱেষণা পত্ৰ পাঠ কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সন্মিলনখন সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে সংশ্লিষ্ট সকলোৰে পৰা সহায়-সহযোগিতা কামনা কৰিছে। অসম সাহিত্য সভাই মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত এই সন্মিলন আয়োজন কৰিবৰ বাবে এখন উচ্চস্তৰীয় শৈক্ষিক সমিতি গঠন কৰি দিছিল। ইয়াৰ অংশ হিচাপে এই সন্মিলনখন আয়োজন কৰা হৈছে।